# 2017

## ASSAMESE

## ( Major )

Paper : 2.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো দিয়া : ১×১০=১০

(ক) শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখন গদ্যত কোনে ভাঙনি কৰিছিল?

(খ) ভূষণ দ্বিজে ৰচনা কৰা চৰিত-পুথিখনৰ নাম কি?

(গ) 'বুৰঞ্জি বিবেক ৰত্ন' কোনে ৰচনা কৰিছিল?

(ঘ) 'কলিভাৰত বুৰঞ্জী'ৰ ৰচক কোন?

(ঙ) 'এ গ্ৰামাৰ অৱ আছামিজ লেংগুৱেজ' কিমান চনত প্ৰকাশ হৈছিল?

(চ) ন. ল. ফ.-ৰ সম্পূৰ্ণ নাম কি?

(ছ) 'ফুলমণি আৰু কৰুণাৰ কাহিনী' পুথিখনৰ লেখকগৰাকীৰ নাম কি?

(জ) 'জাত্ৰিকৰ জাত্ৰা'-ৰ অনুবাদকগৰাকীৰ নাম লিখা।

(ঝ) ভবানন্দ পাঠকৰ প্ৰকৃত নাম কি?

(ঞ) কাৰ পৃষ্ঠপোষকতাত 'আবাহন' আলোচনীখন প্ৰকাশ পাইছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কবিৰাজ চক্ৰৱৰ্তীৰ প্ৰকৃত নাম কি? তেওঁ ৰচনা কৰা এখন কাব্যপুথিৰ নাম লিখা।

(খ) 'ত্ৰিপুৰা বুৰঞ্জী' প্ৰণয়ন কৰা লেখক দুগৰাকী কোন কোন?

(গ) 'অৰুণোদই'ৰ প্ৰভাৱ মুক্ত দুগৰাকী লেখকৰ নাম লিখা।

(ঘ) যতীন্দ্ৰনাথ দুৱৰাই 'ওমৰ তীৰ্থ' নাম দি অনুবাদ কৰা কাব্যপুথিখনৰ মূল গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) মহীচন্দ্ৰ বৰাই কোনখন আলোচনীৰ জৰিয়তে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল? তেওঁৰ এখন গল্পপুথিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ব্যৱহাৰিক জ্ঞানৰ পুথিসমূহৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(গ) কোচবেহাৰত ৰচিত অসমীয়া সাহিত্যৰাজিৰ বিষয়ে এটি পৰিচয়মূলক বিৱৰণ দাঙি ধৰা।

(ঘ) গোবিন্দ মিশ্র কোন? তেওঁৰ সাহিত্যকৃতিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) নলিনীবালা দেৱীৰ কাব্যকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(চ) ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি সম্বন্ধে এটি আলোচনা যুগুত কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) উত্তৰ শংকৰী যুগত ৰচিত অসমীয়া ৰামায়ণী সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) অসমীয়া চৰিত সাহিত্যৰ পটভূমি বিচাৰ কৰি গদ্যচৰিতসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) দৰঙ্গ ৰাজ্যত ৰচিত পুৰণি অসমীয়া সাহিত্যৰাজিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) অৰুণোদয় যুগৰ খৃষ্টিয়ান লেখকসকলৰ অসমীয়া সাহিত্যচৰ্চা সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ঙ) ৰোমাণ্টিক সাহিত্যৰ সংজ্ঞা আৰু বৈশিষ্ট্য বিচাৰ কৰি অসমীয়া ৰোমাণ্টিক কবিতাৰ বিষয়ে এটি চমু পৰ্যালোচনা দাঙি ধৰা।

(চ) 'আবাহন'ৰ পাতত আত্মপ্ৰকাশ কৰা চুটিগল্পকাৰসকলৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(ছ) 'জোনাকী' আলোচনী প্ৰকাশৰ পটভূমি সম্পৰ্কে লিখি জোনাকী যুগৰ যি কোনো এগৰাকী কবিৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

★★★